**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। গ্ৰামাঞ্চলত পথ দুৰ্ঘটনা ৰোধ কৰাৰ বাবে ১ কিলোমিটাৰৰ ভিতৰত দুটাকৈ স্পীড ব্ৰেকাৰ নিৰ্মাণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ।

২। দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী উপলক্ষে আজি দেশজুৰি সুশাসন দিৱস উদযাপন। গুৱাহাটীত অটল স্মৃতি মূৰ্তি আৰু দ্বাৰ উন্মোচন।

৩। আজি খ্ৰীষ্টধৰ্মী লোকসকলৰ পৱিত্ৰ বৰদিন। ৰাজ্যৰ ভিন্নপ্ৰান্তৰ গীৰ্জাঘৰসমূহত ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে যীশুখ্ৰীষ্টৰ জন্মদিন পালন।

৪। ৰাজ্যত পুহৰ হাড়কপোঁৱা জাৰৰ আগমন। উত্তৰ লখিমপুৰত সৰ্বনিম্ন তাপমাত্ৰা ৫ দশমিক ১ ডিগ্ৰী ছেলছিয়াছলৈ অৱনমিত। ***আৰু***

৫। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আই চি চিয়ে ২০২৫ বৰ্ষৰ চেম্পিয়নছ ট্ৰফীৰ সূচী ঘোষণা।

oooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত পথ সুৰক্ষা সম্পৰ্কীয় এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত ৰাজ্যখনত সংঘটিত পথ দুৰ্ঘটনা, পথ সুৰক্ষা আইন বলৱৎ, পৰিবহণ আৰু আৰক্ষী বিভাগে পথ দুৰ্ঘটনা ৰোধ কৰাৰ ক্ষেত্ৰত লোৱা ব্যৱস্থা আদি বিষয়ত পৰ্যালোচনা কৰা হয়। দুৰ্ঘটনা ৰোধ কৰাৰ বাবে নিশা ১০ বজাৰ পাছত সুৰাপান কৰি গাড়ী চলাব নোৱাৰাকৈ অহা ১৫ জানুৱাৰীলৈকে সমগ্ৰ ৰাজ্যতে কঠোৰ পদক্ষেপ ল'বলৈ আৰক্ষী আৰু পৰিবহণ বিভাগক মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ প্ৰদান কৰে। একেদৰে ৰাজ্যৰ গ্ৰামাঞ্চলসমূহত দুৰ্ঘটনা ৰোধ কৰাৰ বাবে ১ কিলোমিটাৰৰ ভিতৰত দুটাকৈ স্পীড ব্ৰেকাৰ নিৰ্মাণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে প্ৰশাসনক নিৰ্দেশ প্ৰদান কৰিছে। বৈঠকতে বনভোজৰ দলসমূহলৈও মুখ্যমন্ত্ৰীয়ে কেতবোৰ নীতি-নিৰ্দেশনা আগবঢ়াইছে।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি ডিব্ৰুগড়ৰ সচিবালয়ত আয়োজিত এখন পৰ্যালোচনা বৈঠকত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা তিনিচুকীয়া জিলাৰ শদিয়া সমষ্টিত ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকত সমষ্টিটোত ৰূপায়ণ কৰিবলগীয়া বিভিন্ন আঁচনি সম্পৰ্কতো বিভাগীয় বিষয়াসকলৰ সৈতে মুখ্যমন্ত্ৰীয়ে আলোচনা কৰে। বিশেষকৈ বান প্ৰতিৰোধ আৰু নতুন মথাউৰি নিৰ্মাণ, উন্নত চিকিৎসাৰ বাবে প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত চিকিৎসক নিযুক্তি, ছৈখোৱাত নতুন ৰাজহ চক্ৰ গঠন, ধান আৰু সৰিয়হ ক্ৰয়ৰ কেন্দ্ৰ স্থাপন, দুগ্ধ সংসাধন প্ৰকল্প স্থাপনৰ লগতে মূল সুঁতিলৈ উভতি অহা আলফা কেডাৰসকলক কৃষি সমবায়ৰ বাবে ভূমিৰ

আৱণ্টন দিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই বৈঠকতে ছপাখোৱা শদিয়াত বীৰ লাচিত ষ্টেডিয়াম চৌহদ, কাকপথাৰ বহুমুখী ইনড'ৰ ষ্টেডিয়াম, ধলা-শদিয়া দলঙত ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি নিৰ্মাণ আদিৰ সন্দৰ্ভত লোৱা সিদ্ধান্তৰ ওপৰত বিতংভাৱে আলোচনা কৰি নিৰ্মাণকাৰ্য চলি থকা এই প্ৰকল্পসমূহ সময়মতে সম্পূৰ্ণ কৰিবলৈও তেওঁ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। পৰ্যালোচনা সভাখনত সাংসদ প্ৰদান বৰুৱা, বিধায়ক বলিন চেতিয়া, অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আববাছী আদিকে ধৰি সংশ্লিষ্ট বিভাগসমূহৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী প্ৰয়াত অটল বিহাৰী বাজপেয়ীৰ জয়ন্তী উপলক্ষে আজি সমগ্ৰ দেশতে সু-শাসন দিৱস পালন কৰা হৈছে। এই দিৱসৰ অংশস্বৰূপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মধ্য প্ৰদেশ ভ্ৰমণ কৰি খাজুৰাহোত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে ৰাষ্ট্ৰীয় দৃষ্টিভংগী পৰিকল্পনাৰ অধীনত দেশৰ প্ৰথমটো আন্তঃসংযোগ প্ৰকল্প কেন-বেট্‌ৱা নদী সংযোগী ৰাষ্ট্ৰীয় প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। আনহাতে, প্ৰাক্তন প্ৰধানমন্ত্ৰীগৰাকীৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি এখন স্মৃতি ষ্টাম্প আৰু মুদ্ৰা মুকলি কৰিব। তেওঁ লগতে এহেজাৰ ১৫৩টা অটল গ্ৰাম সুচাছান অট্টালিকাৰ আধাৰশিলাও স্থাপন কৰিব। এই অট্টালিকাসমূহে স্থানীয় পৰ্যায়ত সুশাসনৰ দিশত আগুৱাই নিয়া গাঁও পঞ্চায়তসমূহৰ কাম-কাজ পৰিচালনাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব।

ভাৰত ৰত্নৰে সন্মানিত ৰাজনীতিবিদগৰাকীক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে অসমতো ৰাজ্য চৰকাৰৰ উদ্যোগত সু-শাসন দিৱৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সেই অনুসৰি মহানগৰীৰ আদাবাৰীত থকা অটল উদ্যানত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই অটল স্মৃতি মূৰ্তি আৰু দ্বাৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। পুৱা ১০ বাজি ৪৫ মিনিটত হ'বলগীয়া এই অনুষ্ঠানত বাজপেয়ীৰ জীৱন আৰু কৰ্মৰাজী তথা দেশৰ প্ৰতি তেওঁৰ অৱদানৰ বিষয়বস্তুক লৈ এখন প্ৰদৰ্শনী মুখ্যমন্ত্ৰীগৰাকীয়ে মুকলি কৰিব। ইয়াৰ পাছতে উক্ত স্থানত এখন ৰাজহুৱা সভাও মুখ্যমন্ত্ৰীয়ে সম্বোধন কৰিব। ইয়াৰ পূৰ্বে পুৱা ১০ বজাত বেলতলাৰ বিজেপিৰ ৰাজ্যিক কাৰ্যালয়ত হ'বলগা সু-শাসনৰ দিৱসৰ আন এক কাৰ্যসূচীতো মুখ্যমন্ত্ৰীয়ে অংশ ল'ব। ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা আৰু দলটোৰ প্ৰভাৰী হৰিশ দ্বিবেদী উপস্থিত থাকিবলগা এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই বাজপেয়ীৰ প্ৰতিচ্ছৱিত মাল্যাৰ্পণ কৰিব। উল্লেখযোগ্য যে ১৯২৪ চনত জন্মলাভ কৰা প্ৰয়াত ৰাজনীতিবিদগৰাকীৰ জন্মজয়ন্তী এইবাৰ শতবৰ্ষত ভৰি দিছে।

০০০০০০

আজি পবিত্ৰ বৰদিন। যীশু খ্ৰীষ্টৰ জন্মদিন উপলক্ষে পালন কৰা এই উৎসৱত খ্ৰীষ্টধৰ্মী লোকসকলে নিজৰ উপাসনাস্থলী গীৰ্জাঘৰত সমবেত হৈ ধৰ্মীয় ৰীতি-নীতি আৰু পৰম্পৰাৰ মাজেৰে বৰদিন উদযাপন কৰিছে। যোৱা নিশাৰ পৰাই কেৰলৰ ধ্বনি আৰু মনোমোহা আলোকসজ্জাৰে প্ৰতিটো গীৰ্জা মুখৰিত হৈ উঠিছে। সমগ্ৰ বিশ্বৰ লগতে দেশ তথা ৰাজ্যতো অনাবিল উৎসাহেৰে বৰদিন পালন কৰা হৈছে। খ্ৰীষ্টধৰ্মী সকলৰ সমানে অন্য ধৰ্মৰ লোকেও এই উৎসৱত অংশগ্ৰহণ কৰি সমাজত শান্তি-সম্প্ৰীতিৰ বাৰ্তা দিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত থকা গীৰ্জাঘৰসমূহত যোৱা নিশা প্ৰাক-বৰদিন প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। গুৱাহাটীৰ পাণবজাৰত থকা খ্ৰীষ্ট চাৰ্চ, ব্যাপ্তিষ্ট চাৰ্চ, কাহিলীপাৰা, চানমাৰি, খানাপাৰা আদি স্থানত থকা গীৰ্জাঘৰসমূহত আজি দুপৰীয়া আৰু সন্ধিয়া বৰদিনৰ সমূহীয়া প্ৰাৰ্থনা অনুষ্ঠিত হ'ব, য'ত প্ৰভু যীশু আৰু মেৰীৰ ত্যাগক প্ৰাৰ্থনাৰ মাজেৰে পূৰণ কৰা হ'ব। নিশালৈ ঠায়ে ঠায়ে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। গোৱালপাৰা জিলাৰ ৰাংছাপাৰাতো বৰদিন

ব্যাপক উছাহেৰে পালন কৰা হৈছে। আজি পুৱাৰে পৰা গাঁওখনত ছাত্ৰ-ছাত্ৰীৰ লগতে পৰ্যটকসকলৰ আগমন ঘটিছে। ধৰ্মীয় কাৰ্যসূচীৰ লগতে এইবেলি ৰাংছাপাৰাত বৰদিন উপলক্ষে বিশেষ ৰাজহুৱা ভোজ ৰো আয়োজন কৰা হৈছে। একেদৰে চিৰাং জিলাৰ ছাপাগুৰি, কাজলগাঁও, বাসুগাঁও, বেংতল, বামুণগাঁও, ৰুণীখাটা, শান্তিপুৰ, বিজনী আদি অঞ্চলতো বৰদিনৰ কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

আৰক্ষী প্ৰশাসনে বৰদিনৰ সময়ত যাতে কোনো ধৰণৰ অসুবিধা নহয় তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। অসমৰ লগতে মেঘালয় আৰু খ্ৰীষ্টধৰ্মী লোকৰ প্ৰাধান্য থকা মিজোৰামকে ধৰি চুবুৰীয়া ৰাজ্যকেইখনতো পবিত্ৰ বৰদিন উপলক্ষে ব্যাপক উৎসাহৰ সৃষ্টি হৈছে।

০০০০০০

বৰদিনৰ বতৰত জাৰৰ প্ৰকোপ বাঢ়ে বুলি চলি অহা কথাষাৰ এইবাৰো সঁচা প্ৰমাণিত হৈছে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলত পুহ মাহৰ আজি ৯ তাৰিখে নিশাৰ তাপমাত্ৰা যথেষ্ট হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। উজনি অসমৰ কেতবোৰ ঠাইত পুহৰ হাড় কঁপোৱা জাৰৰ আগমন ঘটিছে। উত্তৰ লখিমপুৰত কালি সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ ভিতৰত সৰ্বনিম্ন তাপমাত্ৰা ৫ দশমিক ১ ডিগ্ৰী ছেলছিয়াছ ৰেকৰ্ড কৰা হয়। এই তাপমাত্ৰা সাধাৰণতে হোৱা সৰ্বনিম্ন তাপমাত্ৰাতকৈ ৪ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ কম বুলি বৰঝাৰৰ বতৰ বিজ্ঞান কেন্দ্ৰই জনাইছে। খ্ৰীষ্টমাছৰ আনন্দ উল্লাসত নাগালেণ্ডৰ বিভোৰ ৰাজধানী কোহিমাৰ জনসাধাৰণে কালিৰ দিনটোত সৰ্বনিম্ন তাপমাত্ৰা ৫ দশমিক ২ ডিগ্ৰী সহ্য কৰিবলগীয়া হয়। শ্বিলঙৰ সৰ্বনিম্ন তাপমাত্ৰা অৱশ্যে কালি ৭ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ ৰেকৰ্ড কৰা হৈছে। যোৰহাট নগৰত কালি সৰ্বনিম্ন তাপমাত্ৰা ৮ দশমিক ৭ ডিগ্ৰী আৰু ডিব্ৰুগড়ৰ সৰ্বনিম্ন তাপমাত্ৰা ৯ দশমিক ৪ ডিগ্ৰী ৰেকৰ্ড কৰা হয়। কালি গুৱাহাটী মহানগৰীৰ সৰ্বোচ্চ তাপমাত্ৰা ২৬ দশমিক ২ ডিগ্ৰী আৰু সৰ্বনিম্ন ১১ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ ৰেকৰ্ড কৰা হয়। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বনিম্ন ১১ ডিগ্ৰী চেলছিয়াছৰ আশে পাশে থকাৰ সম্ভাৱনা আছে। বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আজি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বতৰ ফৰকাল থাকিব আৰু পুৱাৰ ভাগত ডাঠ কুঁৱলীৰ আচ্ছাদন থাকিব বুলি আগজাননী দিছে। গতিকে আজি সকলোৱে বৰদিন আৰু সুশাসন দিৱসৰ কাৰ্যসূচীত ভালকৈ অংশগ্ৰহণ কৰিব পাৰিব।

০০০০০০

ৰাজ্যৰ ৰবি শস্যৰ খেতি কৰা কৃষকক ফচলৰ বীমা সময় অনুসৰি পঞ্জীয়ন কৰিবলৈ কৃষি বিভাগে আহ্বান জনাইছে। সেই অনুসৰি মাকৈ, সৰিয়হ আৰু আলুৰ বাবে অহা ৩১ ডিচেম্বৰৰ ভিতৰত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত কৃষকসকলে পঞ্জীয়ন কৰিব পাৰিব। আনহাতে বৰো ধান আৰু কুঁহিয়াৰৰ খেতি কৰা কৃষকসকলে অহা ১৫ ফেব্ৰুৱাৰীৰ ভিতৰত বীমাৰ পঞ্জীয়ন কৰিব পাৰিব বুলি কৃষি বিভাগে জনাইছে। উল্লেখযোগ্য যে বান, খৰাং আদিৰ দৰে প্ৰাকৃতিক দুৰ্যোগৰ লগতে বিভিন্ন ৰোগ বা পোক-পৰুৱাৰ আক্ৰমণৰ ফলত শস্যভূমিৰ ক্ষতি হ'লে ৰাজ্যৰ কৃষকসকলক কৃষি বিভাগে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ক্ষতিপূৰণ আগবঢ়াব। কেন্দ্ৰীয় চৰকাৰৰ এই আঁচনিৰ অধীনত ৰবি শস্যৰ খেতি কৰা কৃষকসকলে বীমাৰ জৰিয়তে ক্ষতিগ্ৰস্ত শস্যৰ উচিত ক্ষতিপূৰণ পাবলৈ সমৰ্থ হ'ব। এই বিষয়ে সবিশেষ জানিবলৈ কৃষকসকলে নিজ নিজ জিলাৰ কৃষি বিষয়াৰ কাৰ্যালয়, জনসেৱা কেন্দ্ৰ নাইবা সংশ্লিষ্ট বীমা সংস্থাৰ সৈতে যোগাযোগ কৰিব পাৰিব।

০০০০০০

ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে ৫ খন ৰাজ্যত নতুন ৰাজ্যপাল নিযুক্তি দিছে। মিজোৰামৰ ৰাজ্যপাল ডং হৰিবাবু কাম্ভমপতিক ওড়িশাৰ নতুন ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখযোগ্য যে ওড়িশাৰ বৰ্তমানৰ ৰাজ্যপাল ৰঘুবৰ দাসৰ পদত্যাগৰ পাছতে ডং হৰিবাবু কাম্ভপমতিক এই দায়িত্ব প্ৰদান কৰা হৈছে। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী জেনেৰেল বিজয় কুমাৰ সিঙক মিজোৰামৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। আনহাতে, বিহাৰৰ ৰাজ্যপাল হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰক কেৰালাৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে। একেদৰে প্ৰাক্তন গৃহ সচিব অজয় কুমাৰ ভাল্লাক মণিপুৰৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়া হৈছে।

০০০০০০

ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি পথ সুৰক্ষা সম্পৰ্কীয় এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি আগবঢ়োৱা বিভিন্ন পৰামৰ্শৰ এটা বাতৰি দৈনিক অসম কাকতখনে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে বিস্তৃতভাৱে প্ৰকাশ কৰিছে। মৃত্যু হোৱা লোকৰ সংখ্যা কমিলেও বিগত বৰ্ষতকৈ ৰাজ্যত দুৰ্ঘটনাৰ সংখ্যা বৃদ্ধি পাইছে। আনহাতে পথসমূহৰ ষ্ট্ৰীট লাইটসমূহৰ দুৰৱস্থাৰ বিষয়ক লৈ মুখ্যমন্ত্ৰীয়ে উদ্বেগ প্ৰকাশ কৰিছে বুলি বাতৰিটোত প্ৰকাশ কৰা হৈছে।

একেটা বাতৰিকে দি আছাম ট্ৰিবিউন কাকতে STATE GOVT. TAKING ROADSAFETY ISSUE SERIOUSLY শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতখনে অভিযান্ত্ৰিক আৰু চিকিৎসা বিভাগৰ সৰ্বভাৰতীয় স্তৰৰ পৰীক্ষা জে ই ই, নীট তথা চি ইউ ই টি  পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশনা জাৰি কৰাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এতিয়াৰ পৰা কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰে এই প্ৰৱেশ পৰীক্ষা অনুষ্ঠিত কৰিবলৈ উচ্চ শিক্ষা বিভাগে এখন বিশেষজ্ঞ সমিতি গঠন কৰিছে বুলি বাতৰিটোত প্ৰকাশ কৰিছে।

সদৌ অসম ছাত্ৰ সন্থাই লোকশিল্পী দুৰ্গেশ্বৰ সোণোৱাললৈ এই বৰ্ষৰ বাবে গোৱালপৰীয়া লোকগীতৰ সম্ৰাজ্ঞী প্ৰতিমা বৰুৱা পাণ্ডে স্মাৰক বঁটা আগবঢ়োৱা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আমাৰ অসম কাকতখনে সমাগত পঞ্চায়ত নিৰ্বাচনৰ প্ৰাকক্ষণত ৰাজনৈতিক দলসমূহৰ প্ৰস্তুতি তুংগত বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। এই নিৰ্বাচনত পুনৰ অগপ বিজেপিৰ মিত্ৰতা হ'ব বুলিও উল্লেখ আছে।

২০১৮ বৰ্ষৰ এ পি এছ চি পৰীক্ষাত সংঘটিত হোৱা বৃহৎ খেলিমেলিৰ বাতৰিটো দৈনকি অগ্ৰদূত কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কেইবাজনো প্ৰাৰ্থীয়ে প্ৰাৰম্ভিক পৰীক্ষাত উত্তীৰ্ণ নোহোৱাকৈ নিযুক্তি লাভ কৰিছিল বুলিও বাতৰিটোত উল্লেখ আছে।

অসমীয়া খবৰ কাকতখনে ২৫ ফেব্ৰুৱাৰীৰ ভিতৰত বিজেপিৰ নতুন ৰাষ্ট্ৰীয় সভাপতি নিযুক্তিক লৈ ব্যাপক কুচ-কাৱাজ চলাৰ এটা বাতৰি প্ৰথম পৃষ্ঠাত বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে। সভাপতিৰ বাবে বিজেপিয়ে দলিত তথা যুৱ নেতাক প্ৰাধান্য দিব বুলি বাতৰিটোত প্ৰকাশ পাইছে। এতিয়া আমি পুনৰ উভতি আহিছো বৰ্ষা শৰ্মাৰ ওচৰলৈ।

০০০০০০

সাহিত্য বিষয়ক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰৰে কোচবিহাৰৰ মধুপুৰ সত্ৰত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে মধুপুৰ মহোৎসৱ অনুষ্ঠিত হৈছে। মাজুলী আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পীতাম্বৰ দেব গোস্বামীয়ে

এই আলোচনাচক্ৰখন উদ্বোধন কৰে। এই আলোচনাচক্ৰ উদ্বোধন কৰি দিয়া ভাষণত সত্ৰাধিকাৰগৰাকীয়ে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ সাহিত্যৰ যোগেদি অসমৰ জনসাধাৰণক একত্ৰিত কৰাৰ কথা উল্লেখ কৰে। তেওঁ লগতে মধ্য যুগত মহাপুৰুষ শ্ৰীশংকৰদেৱে মাগধী, পালি, প্ৰাকৃত, মৈথেলী আদি ভাষা অধ্যয়ন কৰি ব্ৰজাৱলী ভাষাৰ উৎপত্তি কৰাও বুলিও তেওঁ মত প্ৰকাশ কৰে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক অসমৰ ভাস্কৰ বুলি অভিহিত কৰি ড০ দেৱগোস্বামীয়ে ৰাজ্যৰ সকলো ভকত-বৈষ্ণৱক মহাপুৰুষগৰাকীৰ মহাপ্ৰয়াণৰ স্থান কোচবিহাৰৰ মধুপুৰ সত্ৰ ভ্ৰমণ কৰিবলৈ আহ্বান জনায়। এই আলোচনাচক্ৰত অসমৰ লগতে ওড়িশা আৰু পশ্চিমবংগৰ ভালেসংখ্যক বিশিষ্ট শিক্ষাবিদ আৰু সাহিত্যিকে অংশগ্ৰহণ কৰে।

মহোৎসৱৰ দ্বিতীয় দিনা আজি ভাগৱত শোভাযাত্ৰা, পালনাম সমাৰোহৰ লগতে থিয়নাম অনুষ্ঠিত হ'ব। বিয়লি ভাগত হ'বলগীয়া মুকলি সভাত বৰপেটা সত্ৰৰ নৱনিৰ্বাচিত বুঢ়াসত্ৰীয়া ড০ বাবুল দাসক অভিনন্দন জনোৱাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হ'ব। সন্ধিয়া যোৰহাটৰ নৃ-গোষ্ঠীয় সাংস্কৃতিক মঞ্চই সীতাহৰণ, বালিবধ ভাওনা প্ৰদৰ্শন কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। সেই অনুসৰি অহা ২৮ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত সমাজৰ নিঃস্ব, আৰ্তজন আৰু অমাতৰ হৈ নীৰৱে কাম কৰি যোৱা তিনিগৰাকী ব্যক্তিৰ বছৰটোৰ সামৰণিৰ উপলব্ধি প্ৰচাৰ কৰা হ'ব। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিক, চলচ্চিত্ৰ সমালোচক আৰু ৰাজনৈতিক পৰ্যবেক্ষক উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

০০০০০০

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ আই চি চিয়ে ২০২৫ বৰ্ষৰ পুৰুষৰ চেম্পিয়নছ ট্ৰফীৰ সূচী ঘোষণা কৰিছে। অহা বছৰ ১৯ ফেব্ৰুৱাৰীৰ পৰা ৯ মাৰ্চলৈ এই প্ৰতিযোগিতা পাকিস্তান আৰু নিৰপেক্ষ স্থান ইউ এ ইত অনুষ্ঠিত হ'ব। যোৱাবাৰৰ চেম্পিয়ন পাকিস্তানে ১৯৯৬ চনৰ পাছৰে পৰা এইবাৰ প্ৰথমবাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট প্ৰতিযোগিতাৰ আয়োজন কৰিব। ভাৰতক বাংলাদেশ, নিউজিলেণ্ড আৰু পাকিস্তানৰ সৈতে প্ৰতিযোগিতাৰ গ্ৰুপ-এত স্থান দিয়া হৈছে। আফগানিস্তান, অষ্ট্ৰেলিয়া, ইংলেণ্ড আৰু দক্ষিণ আফ্ৰিকাক গ্ৰুপ-বিত অন্তৰ্ভুক্ত কৰা হৈছে। ১৯ ফেব্ৰুৱাৰীত কৰাচীত হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন খেলত পাকিস্তান নিউজিলেণ্ডৰ সন্মুখীন হ'ব। ভাৰত ২০ ফেব্ৰুৱাৰীত ডুবাইত হ'বলগীয়া নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ২৩ ফেব্ৰুৱাৰীত ডুবাইত ভাৰত আৰু পাকিস্তানৰ মাজত খেলখন অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত প্ৰথমখন ছেমি ফাইনেল ৪ মাৰ্চত ডুবাইত আৰু দ্বিতীয়খন ছেমি ফাইনেল ৫ মাৰ্চত লাহোৰত অনুষ্ঠিত হ'ব। ৯ মাৰ্চত একেটা স্থানত ফাইনেল খেলখনো অনুষ্ঠিত হ'ব। অৱশ্যে ভাৰতে ছেমি ফাইনেল আৰু ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰিলে এই খেল দুখন ডুবাইত অনুষ্ঠিত হ'ব।

০০০০০০

ভাৰতৰ মহিলা ক্ৰিকেট দলে যোৱানিশা দ্বিতীয়খন এদিনীয়া খেলতো ৱেষ্ট ইণ্ডিজক ১১৫ ৰানৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰিছে। এই জয়েৰে ভাৰতে ২-০ৰ অগ্ৰগতি লৈ শৃংখলা জয় কৰাটোও নিশ্চিত কৰে। ইয়াৰ পূৰ্বে তিনিখনীয়া শৃংখলাটোৰ প্ৰথম খেলখনত ভাৰতে ৱেষ্ট ইণ্ডিজৰ মহিলা দলক ২১১ ৰানৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰিছিল। বডোডৰাত কালি অনুষ্ঠিত দিবা-নৈশ খেলখনত  টছত জয় হৈ প্ৰথমে বেটিং কৰা ভাৰতে নিৰ্ধাৰিত ৫০ অভাৰত ৫টা উইকেট হেৰুৱাই ৩৫৮ ৰান কৰে। ঘৰুৱা দলৰ হৈ হাৰ্লিন দেউলে ১১৫ ৰানৰ শতকীয় ইনিংছ খেলে। ১০৩টা বলত ১৬টা বাউণ্ডাৰী মৰা বেটাৰগৰাকীয়ে এয়া কেৰিয়াৰৰ প্ৰথমটো আন্তৰ্জাতিক শতক। ভাৰতৰ হৈ প্ৰতীকা ৰাৱালে ৭৬, স্মৃতি মান্ধানাই ৫৩ আৰু জেমিমা ৰ'ড্ৰিগোৱেজে ৫২ ৰানৰ অৰদান আগবঢ়ায়। উল্লেখযোগ্য যে ভাৰতে ইয়াৰ পূৰ্বে তিনিখনীয়া টি-২০ শৃংখলাটোও ২-১ৰ ব্যৱধানত হস্তগত কৰিছিল। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত এই এদিনীয়া শৃংখলাটো আই চি চি মহিলা চেম্পিয়নশ্বিপৰ অন্তৰ্গত। শৃংখলাৰ পৰৱৰ্তী খেলখন অহা ২৭ ডিচেম্বৰত অনুষ্ঠিত হ'ব।

০০০০০০

সমাপ্ত